**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-03-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া অব্যাহত আছে। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিনা প্ৰাৰ্থীসকলে বিয়লি ৩ বজা পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব। সেই অনুসৰি কাইলৈ অন্তিম দিনা সকলো ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকল মনোনয়ন পত্ৰ দাখিলৰ বাবে সাজু হৈছে। কামৰূপ মহানগৰ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ বাবে কাইলৈ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰিব। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে বিজেপিৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ, মধ্য গুৱাহাটীৰ প্ৰাৰ্থী বিজয় গুপ্তা, নিউ গুৱাহাটীৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মা আৰু মিত্ৰদল এ জি পিৰ ডিমৰীয়া সমষ্টিৰ প্ৰাৰ্থী ড° তপন দাসে কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। ইপিনে, দিছপুৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ, নিউ গুৱাহাটীৰ প্ৰাৰ্থী শান্তনু বৰা, ডিমৰীয়াৰ প্ৰাৰ্থী কিশোৰ কুমাৰ বৰুৱা, জালুকবাৰীৰ প্ৰাৰ্থী বিদিশা নেওগ তথা এ জে পিৰ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী কুংকী চৌধুৰীয়ে মনোনয়ন দাখিল কৰিব।

ইপিনে, শিৱসাগৰ বিধানসভা সমষ্টিৰ অগপ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাই মনোনয়ন প্ৰত্যাহাৰৰ সন্দৰ্ভত বিয়পি পৰা বাতৰিক লৈ নিজৰ স্থিতি স্পষ্ট কৰি মনোনয়ন প্ৰত্যাহাৰ নকৰাৰ সিদ্ধান্তৰ কথা প্ৰকাশ কৰে।

০০০০

বিধাসনভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। ইতিমধ্যে কোনো কোনো দলে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। বিজেপিয়ে পৰহিলৈ আনুষ্ঠানিকভাৱে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব। দলটোৱে প্ৰায় ৪০ জন তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ অভিযান চলাব বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। তেওঁলোকৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী থাকিব বুলি শ্ৰীশইকীয়াই জানিবলৈ দিয়ে।

বাইট (দিলীপ শইকীয়া)

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা যোৰহাট বিধানসভা সমষ্টিৰ মনোনীত প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি জিলাখনৰ হুলুঙাপাৰ অঞ্চলত প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰীগগৈয়ে কেইবাটাও নামঘৰত আশীষ লোৱাৰ লগতে অঞ্চলটোৰ লোকসকলৰ সৈতে মত-বিনিময় কৰে।

০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে আজি পঞ্চমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। ইয়াৰ লগে লগে দলটোৱে সৰ্বমুঠ ১০০খন আসনৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। আজি ঘোষিত প্ৰাৰ্থীসকলৰ ভিতৰত গোসাইগাঁও সমষ্টিত যোচেফ হাছদা, দোতমাত বীৰখাং বড়ো, বিজনীত ৰজত কান্তি সাহা, ভেৰগাঁৱত অঞ্জুলা গৌৰা দৈমাৰী, মাজবাটত নাৰায়ণ অধিকাৰী, হাফলঙত নিৰ্মল লাংথাছা আৰু কাটিগড়ত অমৰ চান্দ জৈনক প্ৰাৰ্থিত্ব দিয়া হৈছে।

০০০০

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ১৭ দিন বাকী থকা অৱস্থাত আজি অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ড০ ৰঞ্জিত ডেকাই দলৰ প্ৰাথমিক সদস্য পদ তথা সকলো দায়িত্বৰ পৰা পদত্যাগ কৰে। পাঠশালাৰ নিজৰ বাসগৃহত এখন সংবাদমেলযোগে ড০ ডেকাই এই কথা ঘোষণা কৰে। দলটোৰ কেন্দ্ৰীয় নেতৃত্বৰ কাম-কাজত অসন্তুষ্ট হৈ তেওঁ এই সিদ্ধান্ত লয় বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। ইপিনে, বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজীৱ ব্ৰহ্মাই আজি ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাথমিক সদস্যপদৰ লগতে ৰাজ্যিক কাৰ্যবাহী সদস্যৰ পৰা পদত্যাগ কৰে।

০০০০০

ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ চাহিদা আৰু যোগান সন্দৰ্ভত গ্ৰাহকৰ মাজত অব্যাহত থকা উদ্বেগৰ পৰিপ্ৰেক্ষিতত দৰং জিলা প্ৰশাসনে গ্ৰাহকসকলৰ সুবিধাৰ্থে দুটা ফোন নম্বৰ মুকলি কৰিছে। গ্ৰাহকসকলে ৰন্ধন গেছৰ চিলিণ্ডাৰৰ যোগান সম্পৰ্কীয় যিকোনো অভাৱ-অভিযোগ বা আপত্তি ৭৮৯৬৮৮১৬৩৩ আৰু ৬০০৩৮৬৫৯৫৩ নম্বৰত দাখিল কৰিব পাৰিব। জিলা প্ৰশাসনে ৰন্ধন গেছৰ ব্যৱসায়ী তথা সংশ্লিষ্ট কৰ্তৃপক্ষক জনসাধাৰণৰ অভিযোগ নিষ্পত্তিত সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিছে।

০০০০

ডিব্ৰুগড় জিলাৰ লাহোৱাল ৰজাখাট নিবাসী, লাহোৱাল সমবায় সমিতিৰ সম্পাদক তথা সমাজসেৱক ৰঞ্জিত শৰ্মাৰ আজি পুৱা উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৮ বছৰ। শৰ্মাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ